**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-05-2025 **Time :** 0705 Hrs.

***Assamese Evening Bulletin***

***<u>HEADLINES</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছিকিম, পশ্চিম বংগ আৰু বিহাৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত সাহিত্য সন্মিলন উদ্বোধন কৰিব।

৩। দেশত আজি বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হ'ব।

৪। ভাৰতত ৰাছিয়াৰ ৰাষ্ট্ৰদূত ডেনিছ অলিপ'ভে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ ভূয়সী প্ৰশংসা কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধনৰ উদ্দেশ্যে ছিকিম, পশ্চিম বংগ আৰু বিহাৰলৈ যাব।

ছিকিমৰ ৰাজধানী গেংটকত প্ৰধানমন্ত্ৰী মোদীয়ে আজি পুৰা ছিকিমৰ ৫০ বছৰ ঃ উদ্দেশ্য সাধনমূলক প্ৰগতি আৰু প্ৰকৃতিৰ সৈতে বিকাশ সন্দৰ্ভত আয়োজিত এটা বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ লগতে ছিকিমৰ জনসাধাৰণৰ বাবে কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এখন জনসভাতো ভাষণ দিব। ছিকিমৰ মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব বিকাশ বছনেটে কৈছে যে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনাবলৈ ৰাজ্যখনৰ জনসাধাৰণে আগ্ৰহেৰে বাট চাই আছে।

পাছত প্ৰধানমন্ত্ৰী মোদী পশ্চিম বংগলৈ যাব। তেওঁ আলিপুৰ দুৱাৰ আৰু কোচবিহাৰ জিলাৰ নগৰীয়া গেছ বিতৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এহেজাৰ ১০ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পৰ জৰিয়তে প্ৰায় আঢ়ৈ লাখ পৰিয়াল, ১০০ৰো অধিক ব্যয়সায়িক প্ৰতিষ্ঠান আৰু ঔদ্যোগিক গোটলৈ পাইপযোগে প্ৰাকৃতিক গেছ আৰু প্ৰায় ১৯টা চি এন জি ষ্টেচনলৈ সংকুচিত প্ৰাকৃতিক গেছ যোগান ধৰা হ'ব। এই প্ৰকল্পই অঞ্চলটোত সুবিধাজনক, নিৰ্ভৰযোগ্য, পৰিবেশ বান্ধৱ আৰু কম খৰচী ইন্ধন যোগান সুনিশ্চিত কৰিব আৰু কৰ্মসংস্থাপনৰ ন-ন সুযোগ সৃষ্টি কৰিব।

বিয়লিৰ ভাগলৈ শ্ৰীমোদীয়ে বিহাৰৰ পাটনা বিমান বন্দৰত নতুনকৈ নিৰ্মিত যাত্ৰী কেন্দ্ৰ মুকলি কৰিব। প্ৰায় এহেজাৰ ২০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই নতুন কেন্দ্ৰটোৰ জৰিয়তে বছৰি ১ কোটি যাত্ৰী আহ-যাহ কৰিব পাৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে পাটনাত এটা ৰোড শ্ব'ত অংশ ল'ব। পাটনা বিমান বন্দৰৰ পৰা আৰম্ভ হোৱা এই ৰোড শ্ব' বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত সাৰমণি পৰিব। ভ্ৰমণ কালত

শ্ৰীমোদীয়ে এহেজাৰ ৪১০ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া বিহ্‌ট বিমান বন্দৰৰ অসামৰিক বহিঃক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত সাহিত্য সন্মিলন উদ্বোধন কৰিব। এই দুদিনীয়া সন্মিলনত কবিৰ সৈতে সাক্ষাৎ, ভাৰতৰ নাৰীবাদী সাহিত্য, সাহিত্যৰ পৰিৱৰ্তন বনাম পৰিৱৰ্তনৰ সাহিত্য আৰু গোলকীয় প্ৰেক্ষাপটত ভাৰতীয় সাহিত্যৰ নতুন দিশ আদি বিষয়ত ভিন ভিন সত্ৰ অনুষ্ঠিত হ'ব। দেৱী অহিল্যা বাঈ হোল্‌কৰৰ গাঁথাৰে এই সন্মিলনৰ সামৰণি পৰিব। ৰাষ্ট্ৰপতি ভৱনে সাহিত্য একাডেমীৰ সহযোগত এই সন্মিলনৰ আয়োজন কৰিছে। সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাট আৰু সমগ্ৰ দেশৰ সাহিত্য জগতৰ বিশিষ্ট ব্যক্তিসকলে সন্মিলনত ভাগ ল'ব।

০০০০০০০০০

দেশত আজি বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত ওড়িশাৰ পুৰীৰ পৰা এই অভিযান আৰম্ভ কৰা হ'ব। অহা ১২ জুনলৈ চলিবলগীয়া এই অভিযানত সমগ্ৰ দেশৰ ৭০০ৰো অধিক জিলা সামৰি লোৱা হ'ব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই ১৫ দিনীয়া অভিযানৰ সময়ত শ্ৰীচৌহানে কমেও ২০খন ৰাজ্য ভ্ৰমণ কৰি কৃষক আৰু বিজ্ঞানীসকলক উৎসাহিত কৰাৰ উপৰি তেওঁলোকৰ সৈতে প্ৰত্যক্ষ আলোচনাত মিলিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কৰিবলগীয়া ৰাজ্যকেইখন হৈছে অসম, মেঘালয়, কৰ্ণাটক, তামিলনাডু, তেলেংগানা, অন্ধ্ৰ প্ৰদেশ, বিহাৰ, ছত্তিশগড়, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, দিল্লী, হাৰিয়ানা, পঞ্জাব, মহাৰাষ্ট্ৰ, জন্মু, ৰাজস্থান আৰু গুজৰাট। এই অভিযানৰ জৰিয়তে বিভিন্ন প্ৰান্তত হোৱা খাৰিফ শস্যৰ বাবে অত্যাধুনিক প্ৰযুক্তি বিষয়ে কৃষকসকলক অৱগত কৰোৱা আৰু চৰকাৰৰ কৃষি আঁচনি তথা নীতিসমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই অভিযানৰ অধীনত বিভিন্ন গোটে কৃষকসকলক শস্য নিৰ্ধাৰণ আৰু নিৰ্দিষ্ট পৰিমাণৰ সাৰ ব্যৱহাৰৰ বাবে ভূমি স্বাস্থ্য পত্ৰৰ ব্যৱহাৰৰ বিষয়ে অৱগত কৰাৰ উপৰি কৃষক আধাৰিত উদ্ভাৱন আৰু গৱেষণাৰ ক্ষেত্ৰত তেওঁলোকৰ মতামত সংগ্ৰহ কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি সক্ৰিয় প্ৰশাসন আৰু সময় নিৰ্ধাৰিত ৰূপায়ণৰ বহুমুখী মঞ্চ **প্ৰগতি**ৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে ৬২ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ পথ পৰিবহন, শক্তি আৰু জলসম্পদ খণ্ডৰ তিনিটা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা চলায়। এই প্ৰকল্পসমূহৰ কৌশলগত গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে ৰূপায়ণৰ বাধা দূৰ কৰাৰ লগতে প্ৰকল্পসমূহৰ কাম সময় মতে সম্পূৰ্ণ কৰাৰ বাবে আহ্বান জনায়। কোনো প্ৰকল্পৰ কামত বিলম্ব ঘটিলে হ'ব পৰা বিৰূপ প্ৰভাৱৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলত ব্যয় বৃদ্ধি পায় আৰু জনসাধাৰণো আৱশ্যকীয় সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া হয়।

ভূমি সা-সম্পত্তি নিয়ামক প্ৰাধিকৰণ ৰেৰাৰ সৈতে জড়িত ৰাজহুৱা ওজৰ-আপত্তিৰ পৰ্যালোচনাৰ সময়ত শ্ৰীমোদীয়ে বাসগৃহৰ ক্ৰেতাসকলৰ বাবে ন্যায় সুনিশ্চিত কৰাৰ বাবে ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থাৰ মান উন্নত কৰা আৰু সময় মতে ওজৰ আপত্তি নিষ্পত্তি কৰাৰ আৱশ্যকতা আছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্য চৰকাৰসমূহক ৰেৰা আইনৰ অধীনত সকলো যোগ্য ভূমি সা-সম্পত্তি প্ৰকল্পৰ বাধ্যতামূলক পঞ্জীয়ন সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে দেশত ছেমিকণ্ডাক্টৰ ক্ষেত্ৰত হোৱা

প্ৰগতিৰো পৰ্যালোচনা কৰে। তেওঁ কয় যে যিকোনো ক্ষেত্ৰৰ উত্তম কাৰ্যশৈলী আন ৰাজ্যৰ বাবে অনুপ্ৰেৰণাৰ উৎস হ'ব পাৰে আৰু এনে অনুপ্ৰেৰণাই ৰাষ্ট্ৰীয় ছেমিকণ্ডাক্টৰ অভিযান সুদৃঢ় কৰি তুলিব। বৰ্তমানলৈকে প্ৰগতি মঞ্চৰ বৈঠকত ২০ লাখ ৬৪ হাজাৰ কোটি টকাৰ ৩৭৩টা প্ৰকল্পৰ কামৰ পৰ্যালোচনা কৰা হৈছে।

০০০০০০০

ভাৰতত ৰাছিয়াৰ ৰাষ্ট্ৰদূত ডেনিছ্ অলিপ'ভে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ ভূয়সী প্ৰশংসা কৰিছে। তেওঁ লগতে ২২ এপ্ৰিলত পেহেলগামত সংঘটিত বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰৰ দুৰ্বৃত্তসকলক চিনাক্ত কৰা, ধৰা পেলোৱা আৰু শাস্তি প্ৰদান কৰাৰ বাবে ভাৰতৰ ভূয়সী প্ৰশংসা কৰিছে। ভাৰত আৰু ৰাছিয়া উভয়ে বহুধ্ৰুৱীয় বিশ্বৰ হকে স্থিতি গ্ৰহণ কৰি যাব বুলি তেওঁ মন্তব্য কৰে। ক্ৰেমলিন মহলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন এই বছৰ ভাৰতলৈ সম্ভাৱনা আছে বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। দুয়োগৰাকী নেতাৰ মাজত বাৰ্ষিক বৈঠকৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে এই ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াৰ পূৰ্বে নতুন দিল্লীত অনুষ্ঠিত একবিংশ ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে ভাৰতলৈ আহিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দ্বিবিংশ ভাৰত-ৰাছিয়া শীৰ্ষ সন্মিলন আৰু কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে যোৱা বছৰ দুবাৰকৈ ৰাছিয়ালৈ গৈছিল। এই মাহৰ আগভাগত ৰাষ্ট্ৰপতি পুটিনে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে টেলিফোনযোগে কথা পাতিছিল আৰু পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিছিল। তেওঁ লগতে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাৰতলৈ পূৰ্ণ সমৰ্থন আগবঢ়োৱৰ আশ্বাস দিছিল।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সভাপতিত্বত কালি নতুন দিল্লীত ৰাজহুৱা খণ্ডৰ সাধাৰণ বীমা কোম্পানীসমূহৰ সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত তেওঁ প্ৰিমিয়াম সংগ্ৰহ, বীমাৰ পণজীয়ন আৰু ঘনত্বৰ লগতে অমিমাংসিত দাবীৰ অনুপাতৰ দৰে দিশসমূহৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে ৰাজহুৱা খণ্ডৰ সাধাৰণ বীমা কোম্পানীসমূহে সংগ্ৰহ কৰা মুঠ প্ৰিমিয়াম ২০১৯ চনৰ প্ৰায় ৮০ হাজাৰ কোটি টকাৰ পৰা ২০২৫ চনত এক লাখ কোটি টকাতকৈও অধিকলৈ বৃদ্ধি পাইছে।সামগ্ৰিকভাৱে সাধাৰণ বীমা উদ্যোগটোৱেও প্ৰীমিয়াম বৃদ্ধিৰ প্ৰতিবেদন দাখিল কৰিছে। ২০২৪-২৫ বৰ্ষত মুঠ প্ৰিমিয়াম সংগ্ৰহ তিনি লাখ কোটি টকাৰো অধিক হৈছে। পৰ্যালোচনাৰ সময়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে সেৱা প্ৰদান আৰু দক্ষতা উন্নত কৰাৰ বাবে সকলো বীমা কোম্পানীৰ ডিজিটেল ৰূপান্তৰৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। খৰতকীয়া আৰু সঠিক দাবী নিস্পত্তিত সহায় হোৱাকৈ বাহন আৰু স্বাস্থ্য বীমা সামগ্ৰীৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা চালিত দাবী নিষ্পত্তি ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিত্তমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

০০০০০

ভাৰতৰ যুকি ভাম্বৰি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰবাৰ্ট গেলোৱেই  পেৰিচত অনুষ্ঠিত ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ এখন সংঘৰ্ষপূৰ্ণ খেলত জয়লাভ কৰিছে। ভাম্বৰি আৰু গেলোৱেৰ যুটীটোৱে কালি প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত ৰবিন হাছে আৰু হেনড্ৰিক জেবেন্ছৰ যুটীটোক ৬-৩, ৬-৭, ৬-৩ ছেটত পৰাস্ত কৰে। ভাৰতৰ ৰোহন বোপান্না আৰু চেক গণৰাজ্যৰ এডম পাৱল্ছেকৰ

যুটীটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰবাৰ্ট কেছ আৰু জে জে ট্ৰেছিৰ যুটীটোক ৭-৬, ৫-৭, ৬-১ ছেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে।

পুৰুষৰ ছিংগলছত যোগ্যতা নিৰ্দ্ধপনৰ খেলেৰে মূল প্ৰতিযোগিতাত স্থান লাভ কৰা ইটালীৰ মেটেঅ' গিংগাটেই কালি বৃহৎ অঘটন ঘটাই পূৰ্বতে ফাইনেলত স্থান লাভ কৰা গ্ৰীচৰ ষ্টেফান'ছ ছিটছিপাছক ৬-৪, ৫-৭, ৬-২, ৬-৪ ছেটত পৰাভূত কৰি প্ৰথমবাৰৰ বাবে আগশাৰীৰ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব। মুল্লানপুৰত আজি হ'বলগীয়া প্ৰথমখন কোৱালিফায়াৰত পইণ্ট তালিকাৰ শীৰ্ষত থকা পঞ্জাৱ কিংছ দ্বিতীয় স্থানৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কাইলৈ এলিমিনেটৰ খেলৰ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানৰ গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এলিমেনেটৰ খেলত জয়লাভ কৰা দলটো দেওবাৰে দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথমখন কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটো ৩ জুনত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া ফাইনেলত প্ৰথমখন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত